**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

আজি ৰাস পূৰ্ণিমা। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা জিলাত আজিৰে পৰা কেইবাখনো উল্লেখযোগ্য ৰাসৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত হাউলী, বৰপেটা ৰোড আৰু নগাঁৰৰ ৰাস মহোৎসৱ অন্যতম। উল্লেখযোগ্য যে হাউলী ৰাস মহোৎসৱে এইবাৰ ৯৭ সংখ্যক বৰ্ষত ভৰি দিছে। একেদৰে বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৪ সংখ্যক বছৰৰ বাবে আয়োজন কৰা হৈছে। যিহেতু পশ্চিম অসমত মূৰ্তিক কেন্দ্ৰ কৰি ৰাস পালন কৰা হয়, সেইবাবে ৰাসথলীসমূহত আকৰ্ষণীয়ভাৱে মৃণ্ময় মূৰ্তিসমূহ সজাই তোলা হৈছে। ৰাসৰ কাৰ্যসূচী সুচাৰুৰূপে উদযাপনৰ বাবে জিলা প্ৰশাসন আৰক্ষীয়ে বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে মঙলদৈতো সনাতন ধৰ্মসভাৰ প্ৰাংগণত দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। ধুবুৰী, বিলাসীপাৰা, শিৱসাগৰ, চাৰিং, তেজপুৰ, মৰিগাঁও, গোৱালপাৰা, বাক্সা, নলবাৰী ইত্যাদি ঠাইসমূহৰ পৰাও ৰাস উৎসৱ আয়োজনৰ খবৰ আমালৈ আহিছে। নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা মূৰ্তি আৰু মানৱীয় অভিনয়ৰ মাধ্যমেৰে শ্ৰীকৃষ্ণ ৰাসলীলা উপস্থাপন কৰা হৈছে। নুনমাটি, নিউ গুৱাহাটী, ওদালবাক্ৰা, ফটাশিল আমবাৰী, গড়চুক ইত্যাদি মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱৰ কেইবাদিনীয়া কাৰ্যসূচীৰ আজি আৰম্ভ হৈছে।

অন্যহাতে মাজুলীৰ বিভিন্ন সত্ৰসমূহত কালিৰে পৰাই ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে যদিও আজিৰে পৰা দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী সকলো ৰংগমঞ্চতে ৰাসলীলা অভিনয়ৰ আৰম্ভ হ'ব।

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। ৰাজ্যৰ অন্যান্য ঠাইত ৰাসলীলা অভিনয়ত অতুল চন্দ্ৰ হাজৰিকাৰ সৃষ্টিক মূল আধাৰ হিচাপে লোৱা হৈ যদিও নগাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব।

০০০০০০০

দেশৰ স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় মুক্তি আন্দোলনৰ নেতা বীৰছা মুণ্ডাৰ জয়ন্তী উপলক্ষে স্বাধীনতা সংগ্ৰামত অগ্ৰণী ভূমিকা লোৱা জনজাতীয় মুক্তি যুঁজাৰুসকলৰ স্মৃতিত আজি **জনজাতীয় গৌৰৱ দিৱস** হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জামুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত অংশ লয়। এই অনুষ্ঠানেৰে ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকী উদযাপন পৰ্ব আৰম্ভ হৈছে। এই অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰ জনজাতি সম্প্ৰদায়ৰ ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। চৰকাৰে **প্ৰধানমন্ত্ৰী জনমন** আৰু **ধৰতী আবা জনজাতীয় উৎকৰ্ষ গ্ৰাম**

**অভিযান** ৰূপায়ণৰ দ্বাৰা জনজাতীয় লোকসকলক প্ৰত্যক্ষভাৱে সুবিধা প্ৰদান কৰাতো নিশ্চিত কৰিছে বুলি তেওঁ কয়। এই অভিযানৰ অধীনত জনজাতীয় গাঁওসমূহৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৮০ হাজাৰ কোটি টকা ব্যয় কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক জনজাতীয় সমাজৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী মোদীয়ে আজি এই অনুষ্ঠানত জনজাতি অধ্যুষিত জিলাসমূহত বীৰছা মুণ্ডা গৌৰৱ উপবন মুকলি কৰা হ'ব বুলি ঘোষণা কৰে।

অসম চৰকাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰামত **জনজাতীয় গৌৰৱ দিৱস**ৰ আয়োজন কৰিছে। অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কাৰ্যসূচী উদ্বোধন কৰে। দেশৰ ২৯ খন ৰাজ্যৰ ১০০ খন জিলাত অনুষ্ঠিত এই দিৱস উপলক্ষে কামৰূপ মহানগৰৰ হাহাৰা গাঁও পঞ্চায়ত কাৰ্যসূচী লোৱা হৈছে।

গোৱালপাৰা জিলাতো এই দিৱসৰ লগতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত সচিবালয় প্ৰাংগণত আয়োজিত অনুষ্ঠানত শ্বহীদ তৰ্পণ, মাল্যাৰ্পণ আদিৰ লগতে অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০

গোৱালপাৰাৰ ৰংজুলিত আজি বাছ আৰু চাৰিচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষৰ ফলত তিনিজনকৈ লোক থিতাতে নিহত হয়। দুৰ্ঘটনাটোত কেইবাগৰাকীও লোক আহত হয়। ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এই পথ দুৰ্ঘটনাটোত মীনা ৰাভা, মঞ্জু ৰায়, কৃতো ৰায়ৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰৱ পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু, গুৰু নানকৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰপতিয়ে কয়, যে গুৰু নানকে সকলোকে কঠোৰ পৰিশ্ৰমৰ মাজেৰে আধ্যাত্মিকতাৰ পথ দেখুৱাইছে আৰু সত্য, সন্তুষ্টি, দয়া আৰু প্ৰেমৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াৰ কথা শিকাইছে। তেওঁ আৰু কয় যে গুৰু নানকৰ আদৰ্শ গ্ৰহণ কৰি এখন সুষম আৰু সমতাৰ ওপৰত ভিত্তি কৰি সমাজ গঢ়াতো সকলোৰে সামূহিক দায়িত্ব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গুৰু নানকৰ কালজয়ী প্ৰজ্ঞাৰ প্ৰতি নিজৰ দায়িত্ববদ্ধতা দৃঢ় কৰিবলৈ আহ্বান জনায়। তেওঁ মানুহক সত্য, সমন্বয় আৰু সকলো সত্বাৰ ঐক্যৰ নীতিৰ প্ৰতি উৎসৰ্গা কৰিবলৈ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা কৰে যে, গুৰু নানকৰ শিক্ষাই মানুহক মমতা, দয়া আৰু নম্ৰতাৰ মনোভাৱেৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগায়। তেওঁ কামনা কৰে যে ইয়াৰ দ্বাৰা মানুহ সমাজ সেৱাৰ প্ৰতি উদ্বুদ্ধ হৈ এখন নতুন পৃথিৱী গঢ়ি তুলিব।

দেশৰ আন আন প্ৰান্তৰ লগতে ধুবুৰীৰ গুৰুদ্বাৰতো আজি পুৱাৰ পৰা উখল-মাখল পৰিৱেশ পৰিলক্ষিত হয়। এই উপলক্ষে অখণ্ড পাঠ, কীৰ্তন দৰবাৰ, গুৰুলংগৰ আদি কাৰ্যসূচী পালন কৰা হয়। নগাঁও জিলাতো অসমীয়া শিখ সম্প্ৰদায়ৰ ব্যক্তিসকলেও আজি অসমীয়া পৰম্পৰাৰে প্ৰথমগৰাকী শিখ গুৰুৰ জন্মবাৰ্ষিকী উলহ-মালহেৰে আয়োজন কৰে।

০০০০০০০

**সমাপ্ত**